অসম

তেজপুৰত ধন দাবী আৰু উৎকোচ লোৱাৰ অভিযোগত দুই হোমগার্ড গ্রেপ্তাৰ

মিছন চাৰিআলিত বাছৰ অপেক্ষাত থকা এজন যুৱকৰ পৰা ধন দাবী কৰাৰ অভিযোগত কছাৰীগাঁও আৰক্ষীয়ে দুজন হোমগার্ডক গ্রেপ্তাৰ কৰিছে।

প্রকাশ: ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১০



তেজপুৰ, ১০ নৱেম্বৰ: তেজপুৰত এজন যুৱকৰ পৰা ধন দাবী কৰি উৎকোচ লোৱাৰ অভিযোগত আৰক্ষীয়ে দুজন হোমগার্ডক গ্ৰেপ্তাৰ কৰিছে।

গ্ৰেপ্তাৰ হোৱা দুজন হ'ল শোণিতপুৰ জিলাৰ চাৰিদুৱাৰৰ ৰিংকু বৰা আৰু তেজপুৰৰ সপুৰাচুবুৰীৰ কলিতা গাঁৱৰ শিৱপ্ৰসাদ বৰা।

দুয়ো হোমগার্ড মিছন চাৰিআলিত নিৰ্মাণাধীন উৰণসেঁতুৰ নিৰাপত্তাৰ দায়িত্বত নিয়োজিত আছিল। অভিযোগ অনুসৰি, শিৱসাগৰলৈ যাবলৈ বাছৰ অপেক্ষাত থকা যুৱকজনৰ পৰা তেওঁলোকে ধন দাবী কৰিছিল।

অভিযোগকাৰী যুৱকজন শিৱসাগৰ জিলাৰ দিখৌমুখৰ দীপু কাকতি। কাকতিয়ে বিষয়টো আৰক্ষীক জনোৱাৰ

পাছতে কছাৰীগাঁও আৰক্ষীয়ে দুয়ো হোমগার্ডক গ্রেপ্তাৰ কৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1719/tejpu-homgad-dhndabee-gepta